# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 01-10-2025
**Time :** 1845 Hrs.

## *Assamese Evening Bulletin*
0000000

১। শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক ১৪ দিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ। চৰজমিন তদন্তৰ বাবে এছ আই টিৰ দল ছিংগাপুৰলৈ প্ৰেৰণৰ সিদ্ধান্ত।

২। শাৰদীয় দুৰ্গাপূজাৰ মহা নৱমীত সিদ্ধিদাত্ৰী ৰূপত দুৰ্গাদেৱীৰ আৰাধনা।

৩। ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়েৰে ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰ-নুমলীগড় অংশৰ সম্প্ৰসাৰণত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অনুমোদন।

৪। অসম আৰক্ষী দিৱস উপলক্ষে মুখ্যমন্ত্ৰীৰ আৰক্ষী বিষয়া আৰু জোৱানলৈ শুভেচ্ছা জ্ঞাপন।

*আৰু*

৫। মহিলা বিশ্বকাপ ক্ৰিকেটত অষ্ট্ৰেলিয়াৰ নিউজিলেণ্ডক জয়ৰ বাবে ৩২৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

0000000

জনতাৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত যোৱানিশা এছ আই টিয়ে গ্ৰেপ্তাৰ কৰা অভিযুক্ত শ্যামকানু মহন্ত আৰু শিল্পীজনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক আজি পুৱা মুখ্য ন্যায়িক দণ্ডাধীশৰ সন্মুখত হাজিৰ কৰোৱা হয়। দণ্ডাধীশে দুয়োকে ১৪ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে আজি আদালত বন্ধ থকা হেতুকে অভিযুক্ত দুজনক মুখ্য ন্যায়িক দণ্ডাধীশৰ বাসভৱনত হাজিৰ কৰোৱা হয়।

জনপ্ৰিয় শিল্পীগৰাকীৰ ছিংগাপুৰত আচহুৱা পৰিস্থিতিত মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে অসম চৰকাৰে গঠন কৰা এছ আই টিয়ে চি আই ডিৰ কাৰ্যালয়ত ইতিমধ্যে এই ঘটনাৰ কেইবাগৰাকী প্ৰত্যক্ষদৰ্শীক জেৰা কৰিছে। ছিংগাপুৰলৈ শিল্পীগৰাকীৰ সৈতে যোৱা সহশিল্পী অমৃতপ্ৰভা মহন্ত, বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী, আৰক্ষী বিষয়া সন্দীপন গাৰ্গ আৰু ব্যৱসায়ী সঞ্জীৱ নাৰায়ণক শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত ইতিমধ্যে সোধা-পোছা কৰা হৈছে। এই বিষয়ত চৰজমিন তদন্ত কৰিবলৈ অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ এটা দল শীঘ্ৰেই ছিংগাপুৰলৈ যাব বুলি এছ আই টিক নেতৃত্ব দিয়া শীৰ্ষ আৰক্ষী বিষয়া মুন্না প্ৰসাদ গুপ্তাই জানিবলৈ দিছে।

*বাইট (মুন্না প্ৰসাদ গুপ্তা)*

ইপিনে শিল্পীগৰাকীৰ গৃহনগৰী যোৰহাটত আজি ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। যোৰহাট ষ্টেডিয়ামত আয়োজন কৰা এই অনুষ্ঠানত সৰ্বধৰ্ম প্ৰাৰ্থনা, গায়ন-বায়ন, দিহানাম ইত্যাদি পৰিৱেশনেৰে জনতাৰ শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা জনোৱা হয়। অগণন গুণমুগ্ধই পৰিয়ালৰ উপস্থিতিত এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। নিখিল ভাৰতীয় কংগ্ৰেছ কমিটীৰ তৰফৰ পৰা কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে আজি শিল্পীগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। শিল্পীগৰাকীয়ে কৰ্ণাটকৰ কন্নাড়া সংগীতৰ ক্ষেত্ৰলৈও যথেষ্ট

অৱদান আগবঢ়াইছে বুলিও শ্ৰীশিৱকুমাৰে মন্তব্য কৰে। গুণমুগ্ধৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ সময় নিশা ৮ বজালৈ বৃদ্ধি কৰিছে।

ooooooo

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা নৱমীত দেৱীক সিদ্ধিদাত্ৰী ৰূপত পূজা-অৰ্চনা কৰা হয়। দেৱীৰ এই ৰূপে আধ্যাত্মিক জ্ঞান আৰু মহৎ শক্তিক প্ৰতিফলিত কৰে।

জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে পৰম্পৰা ৰক্ষা কৰি জনসাধাৰণে মহিষ মৰ্দিনীৰ আৰাধনা কৰিছে। ৰাজ্যৰ প্ৰতিখন পূজা মণ্ডপতে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁৰ গান শুনিবলৈ পোৱা গৈছে। গুৱাহাটী, লখিমপুৰ, বিজনীৰ দৰে ভালেসংখ্যক চহৰত শিল্পীগৰাকীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি মণ্ডপসমূহ সজাই-পৰাই তোলা হৈছে। গুৱাহাটী আৰু আন আন চহৰৰ বহুতো পূজা সমিতিয়ে এইবাৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই আড়ম্বৰপূৰ্ণ সাংস্কৃতিক অনুষ্ঠানসমূহ বাতিল কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। আজি বিভিন্ন স্থানত কুমাৰী পূজা সম্পন্ন হয়। মাৰ্কণ্ডেয় মুনিৰ আশ্ৰমখ্যাত উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়ত ভক্তসকলে বৈদিক পৰম্পৰাৰে দেৱীক আৰাধনাৰ লগতে পূজা-অৰ্চনা কৰিছে। কামৰূপ জিলাৰ বিভিন্ন অঞ্চলৰ প্ৰাচীন দেৱালয় আৰু অন্যান্য পূজা মণ্ডপসমূহত আজি নৱমী পূজা পৰম্পৰাগত ৰীতি-নীতিৰে কৰা হৈছে। আজি জিলাখনৰ বেজেৰা, বাইহাটা, চাংসাৰি আৰু আমিনগাঁৱৰ বিভিন্ন পূজাস্থলীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত হৈ দুৰ্গতি নাশিনীৰ শ্ৰীচৰণত আশীষ লয়।

**শিৱসাগৰ** ঐতিহাসিক দেৱী দৌলত পুৰাতন ৰীতিৰে ২৯২ বছৰীয়া দুৰ্গা পূজা পালন কৰা হৈছে। এই দৌলৰ দুৰ্গা পূজা যুগ যুগ শান্তি আৰু সম্প্ৰীতিৰ উদাহৰণ হিচাপে পৰিগণিত হৈ আহিছে। দৌলৰ পূজাৰ নৈবদ্যৰ এটা অংশ ইছলাম ধৰ্মী দৌল্লা পৰিয়াললৈ আগবঢ়োৱা হয়। ইয়াৰ লগতে নৈবদ্যৰ আন এটা ভাগ কনচেং বৰপাত্ৰ গোহাঁই পৰিয়াললৈ আগবঢ়োৱা হয়। উল্লেখযোগ্য যে, দৌল প্ৰতিষ্ঠা কালৰে পৰা দৌল্লা পৰিয়ালে দেৱী দৌলত নেগেৰা আৰু ঢাক বজাই আহিছিল। কালক্ৰমত এই পৰম্পৰা লোপ পাই যদিও পৰিয়াটোলৈ ভোগৰ ভাগ আগবঢ়োৱাৰ পৰম্পৰা অব্যাহত থাকে। দৌল্লা পৰিয়ালৰ ঢাক আৰু ভোগলাভৰ পৰম্পৰাৰ বিতং বিৱৰণৰ সৈতে এয়া পৰিয়ালটোৰ সদস্য আস্না দৌল্লা।

***-বাইট-***

**ধেমাজি** জিলাৰ চিলাখুটিৰ ঐতিহাসিক শ্ৰীশ্ৰীতাম্ৰেশ্বৰী আই থানতো পৰম্পৰাগত ৰীতি-নীতিৰে আধ্যাত্মিকভাৱে দুৰ্গা পূজা অনুষ্ঠিত হৈছে।

**লখিমপুৰ** জিলাৰ ঢকুৱাখনাত অৱস্থিত শ্ৰীশ্ৰীঈশ্বৰী হাৰ্হি দেৱালয়ৰ দুৰ্গা পূজাই এইবেলি ৩০৩ বছৰত ভৰি দিলে। মহা নৱমী উপলক্ষে এই দেৱালয়ত আজি পুৱাৰে পৰা ভক্তৰ সমাগত পৰিলক্ষিত হয়।

**বৰাক** উপত্যকাৰ জিলাকেইখনতো শাৰদীয় দুৰ্গাপূজাৰ মহা নৱমী উপলক্ষে আজি পবিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। শিলচৰৰ ঐতিহ্যমণ্ডিত ৰামকৃষ্ণ মিছন সেৱাশ্ৰমত কালি পুৱাৰেপৰা অগণন ভক্তৰ সমাগম হয়।

অৱশ্যে কালি ধুমুহা-বৰষুণৰ ফলত কাচাৰ জিলাৰ কেইবাখনো পূজা মণ্ডপৰ ক্ষতি হোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে।

**বাক্সা** জিলাৰ ৰূপহীত আজি পুৱাৰে পৰা ৭৩ সংখ্যক ৰূপহী আঞ্চলিক সাৰ্বজনীন শ্ৰীশ্ৰীমা দুৰ্গা পূজা মহোৎসৱৰ মহা নৱমী পূজা কৰা হয়।

**তিনিচুকীয়া** জিলাতো আজি মহানৱমী উপলক্ষে পূজা মণ্ডপসমূহত ভক্তৰ ভিৰ পৰিলক্ষিত হয়। চাহ বাগিচাসমূহত বন্ধৰ দিন হোৱা উপলক্ষে শ্ৰমিকসকলে মণ্ডপসমূহত পূজা অৰ্চনা কৰাৰ বাবে উপস্থিত হয়।

শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই **বিশ্বনাথ জিলা**ত বিগত ১৬ বছৰৰ দৰে সমষ্টিবাসী উন্নয়নৰ বাবে পূজাৰ আয়োজন কৰে। আজি মহানৱমী উপলক্ষে শ্ৰীদত্তই ৰাইজৰ মংগল কামনাৰে দেৱী বন্দনা কৰে।

**গোৱালপাৰা** জিলাতো আজি মহানৱমী উপলক্ষে দেৱীৰ ৯টা ৰূপক ৯ গৰাকী কুমাৰী কন্যাক সজাই পৰাই পূজা কৰা হয়। কুমাৰী পূজা উপলক্ষে নেপালী মন্দিৰ পূজা সমিতিৰ পূজা মণ্ডপত যথেষ্ট ভক্তপ্ৰাণ ৰাইজৰ সমাগত পৰিলক্ষিত হয়।

নগাঁও জিলাত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই কাইলৈ বিজয়া দশমী উপলক্ষে শৃংখলা ৰক্ষা কৰি বিসৰ্জন কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

***-বাইট-***

ooooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰ-নুমলীগড় অংশৰ সম্প্ৰসাৰণ কৰি চাৰিলেনলৈ উন্নীত কৰাৰ বাবে অনুমোদন জনাইছে। মুঠ ৬ হাজাৰ ৯৫৭ কোটি টকা ব্যয়ৰে এই ৮৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা সম্প্ৰসাৰণ কৰা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে যোৱা এই পথছোৱা নিৰ্মাণৰ ক্ষেত্ৰত বন্যপ্ৰাণী অনুকূল ব্যৱস্থা ৰূপায়ণ কৰা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা কাৰ্বি আংলঙৰ পাৰ্বত্য অঞ্চললৈ ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি বন্যপ্ৰাণীসমূহে যাতে মুক্ত আৰু বাধাহীনভাৱে আহ-যাহ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰকল্পৰ অধীনত প্ৰায় ৩৪ দশমিক ৫ কিলোমিটাৰৰ এটা এলিভেটেড কৰিডৰ নিৰ্মাণ কৰা হ'ব। ইয়াৰ ফলত ৰাজধানী মহানগৰ গুৱাহাটী, পৰ্যটনস্থলী কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ঔদ্যোগিক চহৰ নুমলীগড়ৰ মাজত প্ৰত্যক্ষ যোগাযোগ উন্নীত কৰাৰ উপৰি যাতায়াতৰ সময় হ্ৰাস পাব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় মন্ত্ৰীসভাক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ এই প্ৰকল্পক এটা মুখ্য আন্তঃগাঁথনি প্ৰকল্প বুলি উল্লেখ কৰি কয়, যে এই প্ৰকল্পই অসমৰ যোগাযোগ ব্যৱস্থাক এটা নতুন গতি প্ৰদানৰ লগতে মানুহ আৰু জীৱকুলৰ সহাৱস্থানৰ এটা নতুন দিশো মুকলি কৰিব।

ooooooo

আজি অসম আৰক্ষী দিৱস। জনসাধাৰণৰ শান্তি, সুৰক্ষা আৰু নিৰাপত্তাৰ হকে নিৰৱচ্ছিন্নভাৱে কাম কৰি যোৱা অসম আৰক্ষীৰ বীৰত্ব আৰু সমৰ্পণৰ প্ৰতি সন্মান জনাই এই দিৱস পালন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষী দিৱস উপলক্ষে আৰক্ষীত কৰ্মৰত সকলো বিষয়া, জোৱানলৈ শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। তেওঁ কয়, যে জনহিত-জনসেৱা মূলমন্ত্ৰৰে সমাজৰ অতন্দ্ৰ প্ৰহৰী হিচাপে দায়বদ্ধতাৰে কাম

কৰি যোৱা আৰক্ষীৰ লোকসকল হৈছে সাহস, ত্যাগ আৰু কৰ্তব্যনিষ্ঠাৰ অম্লান প্ৰতিভূ। মুখ্যমন্ত্ৰী শৰ্মাই দেশ তথা জনসাধাৰণৰ সুৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া অসম আৰক্ষীৰ প্ৰতিগৰাকী বীৰলৈও গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে।

উত্তৰ গুৱাহাটীৰ মান্দাকাটাৰ প্ৰথম আৰক্ষী কামাণ্ডো বেটেলিয়ন কেম্পত আজি ৰাজ্যিক ভিত্তিত অসম আৰক্ষী দিৱস পালন কৰা হয়। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে তেওঁৰ ভাষণত আৰক্ষী বিষয়া আৰু জোৱানসকলক নিষ্ঠা আৰু সততাৰে নিজৰ দায়ত্ব আৰু কৰ্তব্য পালন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত আৰক্ষীৰ লোকসকলক শপতবাক্য পাঠ কৰোৱাৰ লগতে সামূহিক পেৰেড আৰু সামৰিক কলা প্ৰদৰ্শন কৰা হয়।

গোৱালপাৰা জিলাৰ সংৰক্ষিত আৰক্ষী ছাউনীতো আজি অসম আৰক্ষী দিৱস পালন কৰা হয়। জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তৰ অধ্যক্ষতাত আয়োজিত অনুষ্ঠানত পুৱা অসম আৰক্ষীৰ পতাকা উত্তোলন, সংকল্প পাঠ, নৱনিৰ্মিত পেৰেড চৌহদ মুকলি আদিকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

তিনিচুকীয়া জিলা আৰক্ষীয়ে জ্যেষ্ঠ আৰক্ষী অধীক্ষক গুৰভ অভিজিত দিলীপৰ উপস্থিতিত আজি অসম আৰক্ষী দিৱস উপলক্ষে ভিন ভিন কাৰ্যসূচী অনুষ্ঠিত কৰে।

০০০০০০০

ধেমাজি জিলাৰ ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি জিলা প্ৰশাসনে ধেমাজি ৰাজহুৱা প্ৰেক্ষাগৃহত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰে। ১৯৮৯ চনৰ ১ অক্টোবৰত ধেমাজিক পূৰ্ণাংগ জিলা হিচাপে ঘোষণা কৰা হৈছিল। জিলাখনৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি বিদ্যালয় পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতা তথা মহাবিদ্যালয় পৰ্যায়ত যোগাসন আৰু তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। তদুপৰি জিলা পৰিবহণ বিভাগৰ উদ্যোগত পথ সুৰক্ষাৰ সন্দৰ্ভত সজাগতামূলক বাটৰ নাট আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়।

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰতিষ্ঠা দিৱস উপলক্ষে ধেমাজীবাসীলৈ শুভেচ্ছা জনাইছে। এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে জিলাখনে বিগত সময়ছোৱাত শিক্ষা, কৃষি, নিয়োগ, উদ্যমিতাকে ধৰি প্ৰায়বোৰ ক্ষেত্ৰত উত্তৰণৰ দিশে গতি কৰিছে বুলি উল্লেখ কৰি সকলোকে ঐক্যবদ্ধ প্ৰচেষ্টাৰে ধেমাজি জিলাৰ সমৃদ্ধিৰ হকে কাম কৰি যাবলৈ আহ্বান জনায়।

০০০০০০০

চুবুৰীয়া ৰাজ্য নাগালেণ্ডত হোৱা নেৰা নেপেৰা বৰষুণৰ ফলত নিপকোৰ দৈয়াং নদীৰ বান্ধৰ পানীৰ স্তৰ বৃদ্ধি পাইছে। ইয়াৰ ফলত বান্ধৰ চাৰিখনকৈ গে'ট খোলা হৈছে বুলি নিপকোৰ তৰফৰ পৰা জনোৱা হৈছে। অতিৰিক্ত পানী দৈয়াং নদীৰ জৰিয়তে ধনশিৰি নদীলৈ প্ৰবাহিত কৰা হ'ব বুলি নিপকো কৰ্তৃপক্ষই জানিবলৈ দিছে। গোলাঘাট জিলা প্ৰশাসনে জিলাখনৰ জনসাধাৰণক বিশেষকৈ নদীপৰীয়া গাঁৱৰ লোকক নদীত গা ধোৱা, মাছ ধৰা আৰু নদীৰ পাৰত খেলাধূলা আদি কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। বিশেষকৈ কাইলৈ বিজয়া দশমীৰ কাৰ্যসূচীৰ সময়ত এই ক্ষেত্ৰত সকলোকে বিশেষ সতৰ্কতা অৱলম্বন কৰিবলৈ জিলা প্ৰশাসনে অনুৰোধ কৰিছে। জিলা প্ৰশাসনে আপদকালীন সেৱাৰ লগতে সকলো বিষয়া-কৰ্মচাৰীকে এই ক্ষেত্ৰত সচকিত হৈ থাকিবলৈ আহ্বান কৰিছে।

০০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ সংখ্যক জয়ন্তী কাইলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাপুৰুষজনাৰ তিৰোভাৱ ক্ষেত্ৰ কোচ বিহাৰৰ মধুপুৰ সত্ৰত পালন কৰা হ'ব। মধুপুৰ সত্ৰৰ লগতে উত্তৰ বংগৰ সত্ৰ আৰু নামঘৰসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত ৰায়নে জনোৱা অনুযায়ী প্ৰভাতী বন্দনাৰে কালিৰ দিনটো কাৰ্যসূচী আৰম্ভ হ'ব। ইয়াৰ পাছত বিশেষ প্ৰসংগ, নাম আৰু ভাগৱত পাঠৰ কাৰ্যসূচী হাতত লোৱা হৈছে। আবেলি বৈষ্ণৱ ভকত আৰু আইসকলৰ নাম পৰিৱেশন কৰা হ'ব।

জন্মস্থান বৰদোৱাতো মহাপুৰুষজনাৰ জন্মোৎসৱ কাইলৈ বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা হৈছে।

০০০০০০০

মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ইন্দোৰত অনুষ্ঠিত এখন খেলত যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়া নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিউজিলেণ্ডক জয়ৰ বাবে ৩২৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। অষ্ট্ৰেলিয়াই নিৰ্ধাৰিত ৪৯ অভাৰ ৩টা আটাইকেইটা উইকেট হেৰুৱাই ৩২৬ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ এছলে গাৰ্ডনাৰে সৰ্বাধিক ১১৫ ৰান কৰে। নিউজিলেণ্ডৰ লীয়া টাহুহু আৰু জেছ কেৰে ৩টাকৈ আৰু ব্ৰিয়াৰনে ইলিং আৰু এমিলিয়া কেৰে দুটাকৈ উইকেট লাভ কৰে।

০০০০০০০

**সমাপ্ত**